**কাৰ্যবাহী অভিযন্তা**

**(কৰ্ণাটক চৰকাৰ)**

**বনাম**

**কে. চমাচেট্টী আৰু অন্যান্য**

**২ মে', ১৯৯৭**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ ডি. পি. ৱাধৱা]**

*ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ :*

ধাৰা ১০, *উপ-ধাৰা ২(জে.) – "উদ্যোগ" – ৰাজ্য চৰকাৰৰ এক প্ৰকল্পত দৈনিক মজুৰিপ্ৰাপ্ত কৰ্মচাৰী নিয়োগ – প্ৰকল্পটোৰ সমাপ্তিত কৰ্মচাৰীৰ বৰ্খাস্ত কৰা – কৰ্মচাৰীয়ে তেওঁৰ নিযুক্তি অব্যাহত ৰাখিবলৈ শ্ৰম আদালতৰ কাষ চপা – দাবী মঞ্জুৰ হোৱা – উচ্চ ন্যায়ালয়ে শ্ৰম আদালতৰ আদেশ বাহাল ৰাখে – ৰায় দিয়া হ'ল যে চৰকাৰৰ জনকল্যাণমূলক কাৰ্যপ্ৰণালী হৈছে এক সাৰ্বভৌম কাৰ্যপ্ৰণালী – এনে পৰিস্থিতিত আইনখনৰ অধীনত চৰকাৰ এক "উদ্যোগ" নহয় – আকৌ আনহাতে, যিহেতু প্ৰকল্পটো সমাপ্ত হৈছে, গতিকে কৰ্মচাৰীগৰাকীৰ পদটোৰ ওপৰত কোনো অধিকাৰ নাই যিহেতু তেওঁক দৈনিক মজুৰিৰ ভিত্তিত নিযুক্তি দিয়া হৈছিল –*

*অৱমাননাৰ আশংকাত বলৱৎ কৰা পুনৰাই নিযুক্তিৰ আদেশটো এই আবেদনৰ চূড়ান্ত আদেশৰ ওপৰত নিৰ্ভৰশীল – ৰাজ্য চৰকাৰৰ আবেদন মঞ্জুৰ কৰা হ'ল।*

*কেন্দ্ৰীয় চৰকাৰ বনাম জয় নাৰায়ণ সিংহ,* **[১৯৯৫], অতিৰিক্ত, ৪ এচ.চি.চি. ৬৭২ আৰু** *হিমাচল প্ৰদেশ চৰকাৰ বনাম সুৰেশ কুমাৰ ভাৰ্মা,* **জে.টি. (১৯৯৬) ২ এচ.চি. ৪৫৫–ৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।**

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : দেৱানী আবেদন সংখ্যা ১৯৯৭–ৰ ৩৬৩৭।

ডাব্লিউ.এ. সংখ্যা ১৯৯৬–ৰ ৮৭৮–ত কৰ্ণাটক উষ্চ ন্যায়ালয়ৰ ১৮.৪.৯৬–ৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ পি. মাহালে।

উত্তৰদাতাৰ হৈ টি. কনকা দুৰ্গা।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল :

অনুমতি প্ৰদান কৰা হ'ল।

আবেদনকাৰীৰ দ্বাৰা গৃহীত এক প্ৰকল্পত ২৫ জুলাই, ১৯৮৬–ত উত্তৰদাতাক দৈনিক মজুৰিৰ ভিত্তিত নিযুক্তি দিয়া হৈছিল। ইয়াৰ সমাপ্তিত উত্তৰদাতাক ১৫ জানুৱাৰী, ১৯৮৯–ত কামৰ পৰা বৰ্খাস্ত কৰা হৈছিল। ইয়াৰ পাছত তেওঁ ঔদ্যোগিক বিবাদ আইনৰ ধাৰা ১০–ৰ আধাৰত শ্ৰম আদালতৰ কাষ চাপিছিল। এক প্ৰসংগক্ৰমে শ্ৰম আদালতে ৰায় দিছিল যে উত্তৰদাতাৰ বকেয়া বেতনৰ সৈতে চাকৰি অব্যাহত ৰখাৰ অধিকাৰ আছে যিহেতু তেওঁক পদচ্যুত কৰা হৈছিল। এই আদেশটো উষ্চ

ন্যায়ালয়ৰ এক বিদ্বান ন্যায়াধীশে বকেয়া বেতনৰ ৫০% পৰিশোধ কৰাৰ চৰ্তত নিশ্চিত কৰিছিল। খণ্ড বিচাৰপীঠৰ দ্বাৰা লেখ আবেদন সংখ্যা ৮৭৮/৯৬ খাৰিজ কৰা হৈছিল। সেইবাবেই বিশেষ অনুমতিৰ দ্বাৰা এই আবেদন দাখিল কৰা হৈছে।

*কেন্দ্ৰীয় চৰকাৰ বনাম জয় নাৰায়ণ সিংহ,* [১৯৯৫], অতিৰিক্ত, ৪ এচ.চি.চি. ৬৭২ আৰু *হিমাচল প্ৰদেশ চৰকাৰ বনাম সুৰেশ কুমাৰ ভাৰ্মা,* জে.টি. (১৯৯৬) ২ এচ.চি. ৪৫৫-ৰ ৰায় অনুসৰি এয়া এক সুনিৰ্দিষ্ট আইনী স্থিতি যে ঔদ্যোগিক বিবাদ আইনৰ আধাৰৰ সূত্ৰিত অৰ্থৰ অধীনত জলসিঞ্চন বিভাগ আৰু দূৰ-সংযোগ বিভাগ এক “উদ্যোগ” নহয়। চৰকাৰৰ জনকল্যাণমূলক কাৰ্যপ্ৰণালী হৈছে এক সাৰ্বভৌম কাৰ্যপ্ৰণালী। এয়া নিৰ্দেশাত্মক নীতিৰ অধীনৰ এক সাংবিধানিক আদেশ যে চৰকাৰে সকলো কাৰ্যবাহী আৰু বিধানীয় ব্যৱস্থাৰ জৰিয়তে এক কল্যাণমূলক ৰাষ্ট্ৰৰ সৃষ্টি কৰিব লাগে। এনে পৰিস্থিতিত ঔদ্যোগিক বিবাদ আইনৰ অধীনত চৰকাৰ এক “উদ্যোগ” নহয়। আকৌ আনহাতে, যিহেতু প্ৰকল্পটো সমাপ্ত হৈছে, গতিকে কৰ্মচাৰীগৰাকীৰ পদটোৰ ওপৰত কোনো অধিকাৰ নাই যিহেতু তেওঁক দৈনিক মজুৰিৰ ভিত্তিত নিযুক্তি দিয়া হৈছিল। আমাক দৃষ্টিগোচৰ কৰা হৈছে যে উত্তৰদাতাক পুনৰাই নিযুক্তি দিয়া হৈছে। আমাৰ আগত পুনৰাই নিযুক্তি দিয়াৰ আদেশ উপস্থাপন কৰা হৈছে যিয়ে ইয়াৰ ইংগিত দিয়ে যে আদালতৰ অৱমাননাৰ আশংকাত এই আদেশ বলৱৎ কৰা হৈছে। তাতে উল্লেখ কৰা হৈছে যে এয়া এই আবেদন সন্দৰ্ভত এই আদালতৰ চূড়ান্ত আদেশৰ ওপৰত নিৰ্ভৰশীল।

এনে পৰিপ্ৰেক্ষিতত, এই আবেদন সেই অনুসৰি মঞ্জুৰ কৰা হ’ল। শ্ৰম আদালতৰ আদেশ খাৰিজ কৰা হ’ল। আদেশ আৰু ৰায়দানো খাৰিজ কৰা হ’ল।

আবেদন মঞ্জুৰ কৰা হ’ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)